# বাধাগ্ৰস্ততাৰ প্ৰকাৰ আৰু চিনাক্তকৰণ

বাধাগ্ৰস্ততাক সাধাৰণতে নিম্নলিখিত প্ৰকাৰত ভাগ কৰিব পাৰি।

১। **দৃষ্টিহীন** (Blindness) ঃ ব্যক্তি বা শিশু এজনৰ দৃষ্টি ক্ষমতা সম্পূৰ্ণ ৰূপত লোপ পায় বা দৃষ্টিশক্তিৰ অভাৱ হয় তেনে অৱস্থাকে দৃষ্টিহীন বোলে।

২। **ক্ষীণদৃষ্টি** (Low vission) ঃ ক্ষীণ দৃষ্টি হ'ল এনে এটি অৱস্থা য'ত ব্যক্তি বা শিশু এজনে খালী চকুৰে চোৱাৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হয়। ক্ষীণ দৃষ্টি সম্পন্ন শিশু বা ব্যক্তিয়ে পৰিবাহি সঁজুলী, চশমাৰ (Special lence) সহায়ত পঢ়ি লিখিব পাৰে লগতে এনে শিশু বা ব্যক্তিৰ ক্ষেত্ৰত শিক্ষণ কৌশলৰ সাৰলীলকৰণৰ প্ৰয়োজন হয়।

৩। **শ্ৰৱণ বাধাগ্ৰস্ত** (Hearing Impairment) ঃ যেতিয়া শিশু বা ব্যক্তি এজনৰ শব্দ শুনাৰ ক্ষেত্ৰত অসুবিধা হয় লগতে তাৰ প্ৰতিক্ৰিয়া প্ৰকাশৰ ক্ষেত্ৰতো অসুবিধাৰ সৃষ্টি হয়। তেনে অৱস্থাকে শ্ৰৱণ বাধাগ্ৰস্ত বুলি কোৱা হয়।

৪। **কথন বাধাগ্ৰস্ত** (Speech Impairment) ঃ যেতিয়া কোনো ব্যক্তি বা শিশু এজনৰ শব্দ উচ্চাৰণ আৰু প্ৰকাশত অসুবিধা হয় তেনে ব্যক্তি বা শিশুক কথন বাধাগ্ৰস্ত বুলি কোৱা হয়।

৫। **অংগ সঞ্চালনৰ বাধাগ্ৰস্ত** (Locomotor Disability) ঃ কোনো ব্যক্তি বা শিশুৰ হাড়, হাড়ৰ জোৰা বা মাংসপেশীৰ অক্ষমতাৰ বাবে অংগ বা শৰীৰৰ কোনো অংশ সঞ্চালনৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হ'লে তেনে ব্যক্তি বা শিশুক অংগ সঞ্চালনৰ বাধাগ্ৰস্ত বুলি কোৱা হয়।

৬। **মানসিক বাধাগ্ৰস্ত** (Mental Retardalion) ঃ যদি কোনো শিশুৰ বুদ্ধিমত্তা একে বয়সৰ আন শিশুতকৈ তুলনামূলকভাৱে কম হয় আৰু অনিয়ন্ত্ৰিত সামাজিক আচৰণ দেখুৱাই তেনে শিশুকে মানসিক বাধাগ্ৰস্ত বুলি কোৱা হয়।

৭। **মগজুৰ প্ৰক্ষাঘাত** (Cereleral palsy) ঃ মগজুৰ আঘাতৰ ফলত যেতিয়া কোনো ব্যক্তিৰ পেশী সঞ্চালনত অস্বাভাৱিকতা, শাৰীৰিক দুৰ্বলতা সমন্বয়ৰ অভাৱ তথা নিয়ন্ত্ৰণহীন শাৰীৰিক ভাৰসাম্যতা দেখা দিয়ে তেনে অৱস্থাকে মগজুৰ প্ৰক্ষাঘাত বুলি কোৱা হয়।

৮। **অটিজিম** (Autism) ঃ অটিজিম হ'ল এটা বিকাশজনিত বাধাগ্ৰস্ততা যি জন্মৰ পৰা তিনি বছৰৰ ভিতৰত দেখা দিয়ে। ইয়াৰ সাধাৰণ লক্ষণসমূহ হ'ল — এনে শিশু এঘেয়মীয়তা, পুনৰাবৃত্তি আৰু আত্মাউদ্দীপনামূলক আচৰণ দেখুৱাই তথা চৌপাশৰ পৰিৱেশৰ লগত নিজকে সংযুক্ত কৰাত অসমৰ্থ হয়।

৯। **শিকন অসমৰ্থতা** (L. Disability ঃ সাধাৰণতে যিসকল শিশুৰ লিখা, পঢ়া, অংক কৰা তথা কোনো নিৰ্ধাৰিত সময়ৰ ভিতৰত কাম এটা মনোযোগেৰে সম্পন্ন কৰাৰ অসমৰ্থতা থাকে তেনে শিশুক শিকন বাধাগ্ৰস্ত বুলি কোৱা হয়। যদি এনেকুৱা শিশুৰ ক্ষেত্ৰত বিশেষ যত্ন লোৱা নহয় তেতিয়া শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হোৱাৰ লগতে আধাতে বিদ্যালয় বহিঃভূত হোৱা দেখা যায়।

১০। **একাধিক বাধাগ্ৰস্ত** (Multiple Disability) ঃ যদি কোনো ব্যক্তিৰ ক্ষেত্ৰত দুটা বা ততোধিক বাধাগ্ৰস্ততা সংযুক্ত হৈ থাকে তেনে ব্যক্তিক একাধিক বাধাগ্ৰস্ত বুলি কোৱা হয়।

ওপৰোক্ত বাধাগ্ৰস্ত সমূহৰ যদি কোনো এটা বাধাগ্ৰস্ত এজন শিশুৰ ক্ষেত্ৰত দেখা যায় তেনে শিশুক "বিশেষ প্ৰয়োজন সম্পন্ন শিশু বা CWSN (Children with Special Needs) বুলি কোৱা হয়।

**বাধাগ্ৰস্ততাৰ কাৰণসমূহ ঃ**

যিকোনো এজন লোকৰ বিভিন্ন কাৰণত বাধাগ্ৰস্তাই দেখা দিব পাৰে। প্ৰধানত এইবোৰক তিনিটা ভাগত ভাগ কৰা হয় যেনে — (ক) জন্মৰ আগৰ, (খ) জন্মৰ সময়ৰ, (গ) জন্মৰ পিছৰ।

## বিভিন্ন বাধাগ্ৰস্ততাৰ চিনাক্তকৰণৰ তালিকা

১। **ক্ষীণ দৃষ্টি** ঃ

- শ্ৰেণীৰ প্ৰথম শাৰীত বহিলেও যদি ব'ৰ্ডত লিখা কথাবোৰ লিখা আৰু পঢ়াৰ ক্ষেত্ৰত অসুবিধা হয়।
- শিশুটিয়ে কিতাপ পঢ়োতে অত্যন্ত দূৰত্বত বা নিচেই চকুৰ ওচৰত লয় নেকি?
- এটা নিৰ্দ্দিষ্ট ঠাই বা শাৰীৰ ভিতৰত লিখাৰ ক্ষেত্ৰত অসুবিধা হ'লে।
- চাৰি বা পাঁচ মিটাৰ দূৰত্বৰ পৰা মানুহ বা যিকোনো বস্তু এটা চিনাক্ত কৰাত অসুবিধা হ'লে।
- চলন্ত বস্তু এটা অনুসৰণ কৰাত অসুবিধা হ'লে।
- ৰং চিনাক্ত কৰণ আৰু মিলোৱাৰ ক্ষেত্ৰত অসুবিধা হ'লে।
- গাণিতিক ধাৰণা, সংখ্যা আৰু চিহ্ন চিনাক্তকৰণত অসুবিধা হ'লে।
- পথ অনুসৰণ কৰাত অসুবিধা হ'লে।
- কোনো এটা পৰিৱেশত বিভিন্ন ৰঙৰ পোহৰৰ সমাবেশ হ'লে শিশুজন দোধোৰ-মোধোৰত পৰে।
- বিপৰীত মুখী ৰঙৰ ডাঙৰ আখৰৰ প্ৰতিলিপি দিলে ভাল ফলাফল দিয়ে।
- চকুৰ মণিৰ অস্থিৰতাৰ বাবে দৃষ্টি নিবদ্ধ কৰাত অসুবিধা হয়।
- যিকোনো বস্তু চকুৰ ওচৰলৈ আনি চাব বিচাৰিলে।
- চকুৰ পৰা অনৱৰত পানী ওলাই থাকিলে।
- চকুৰ মণিত বগা দাগ থাকিলে।

**শ্ৰৱণ বাধাগ্ৰস্ত** ঃ

- শ্ৰেণীকোঠাত নাম ধৰি মাতিলেও সঁহাৰি নজনায়।
- খুব জোৰেৰে বা খুব লাগে লাগে কথা কোৱাৰ প্ৰৱণতা থাকে।
- শিশুটিৰ কাণৰ পৰা প্ৰায়েই পুঁজ ওলায় আৰু কাণ,ডিঙি বিষোৱাৰ কথা কয়।
- কথা শুনিবলৈ এখন কাণ আগবঢ়াই দিয়ে।
- আকাৰ ইংগিতেৰে নিজৰ ভাৱ প্ৰকাশ কৰিবলৈ বিচাৰে।
- শিশুটিৰ কথাৰ সুৰ আৰু উচ্চাৰণত বিসংগতি থাকে।
- শিশুটিয়ে নিজৰে শুনিবলৈ ইচ্ছা কৰিলেহে শুনে।

**কথন বাধাগ্ৰস্ত** ঃ

- কোনো কথা সুধিলে স্পষ্টকৈ ক'ব নোৱাৰে।
- মৌখিক উত্তৰ দিব নোৱাৰে।
- শব্দ উচ্চাৰণত বিসংগতি দেখা যায়।
- কোনো এটা বাক্যক সম্পূৰ্ণ ৰূপত প্ৰকাশ কৰিব নোৱাৰে।
- কথা লাগি ধৰাৰ প্ৰৱণতা থাকে।
- যিকোনো প্ৰশ্নৰ উত্তৰ দিয়াৰ ক্ষেত্ৰত সংকোচবোধ কৰে।

**অংগ সঞ্চালন বাধাগ্ৰস্ত ঃ**

- পেশীৰ সঞ্চালনত সমন্বয়ৰ অভাব।
- শৰীৰৰ এটা অংশ সম্পূৰ্ণৰূপে বা আংশিকভাৱে অসমৰ্থ হয়।
- শৰীৰৰ কোনো অংগৰ অনুপস্থিতি।
- জন্মগতভাৱে কোনো অংগৰ অস্বাভাৱিকতা দেখা যায়।
- শিশুটি চলা-ফুৰা কৰাৰ ক্ষেত্ৰত অসুবিধা হয়।
- শৰীৰৰ কোনো নিৰ্দিষ্ট অংগ লৰচৰ কৰাত অসুবিধা হয়।
- শিশুটিয়ে খোঁজ কাঢ়োতে দুপিয়াই যায় আৰু হাত দুখন অস্বাভাৱিক লৰচৰ কৰে।
- শিশুটিয়ে খোঁজ কাঢ়োতে অস্বাভাৱিক জোকাৰণি হয়।
- শিশুটিয়ে শাৰীৰিক ভাৰসাম্য ৰক্ষা কৰাত অসুবিধা হয়।

**মানসিক বাধাগ্ৰস্ত ঃ**

- বয়স অনুপাতে বিকাশৰ গতি লেহেমীয়া হয়।
- যিকোনো কাৰ্যত মনোযোগৰ অভাব দেখা যায়।
- শিশুটিৰ প্ৰতিক্ৰিয়া মন্থৰ হয়।
- কোনো এটা কাৰ্য বা কৌশল শিকিবলৈ বেছি সময়ৰ প্ৰয়োজন হয়।
- সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰত অসুবিধা দেখা যায়।
- সমস্যা সমাধানৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হয়।
- সমনীয়া বা আন ব্যক্তিৰ লগত সহযোগিতাৰ অভাৱ দেখা যায়।
- স্মৰণ কৰাত অসমৰ্থ হয়।
- স্পষ্টতাৰ অভাৱ হয়।
- এনে শিশুৰ ক্ষেত্ৰত আচৰণ জনিত সমস্যা থাকে।

**মগজুৰ প্ৰক্ষাঘাত ঃ**

- ইচ্ছাকৃত সঞ্চালন নিয়ন্ত্ৰণত অসুবিধা হয়।
- শিশুজনৰ দৈহিক গঠন, খোঁজ, অস্বাভাৱিক হয় লগতে ভাৰসাম্যত সমস্যা থাকে।
- স্থুলপেশীৰ সমস্যা থাকে, সেয়েহে আনৰ সহায় অবিহনে বহা, খোজকঢ়া, বগোৱা আদিত অসুবিধা হয়।
- শিশুজনৰ সুক্ষ্মপেশী তথা চকু আৰু হাতৰ সমন্বয় জনিত কাৰ্যত অসুবিধা থাকে যেনে — লিখা, কঁটা, আঁঠা লগোৱা, মনিগুঠা ইত্যাদি।
- দৈনন্দিন জীৱনৰ প্ৰয়োজনীয় কাৰ্য সম্পাদন কৰাত অসুবিধা থাকে।
- শিশুজনৰ কথাকোৱাৰ ক্ষেত্ৰত স্পষ্টতাৰ অভাৱ দেখা যায়।
- শিশুজনৰ আনুসংগিক সমস্যা যেনে — দৃষ্টি, শ্ৰৱণ, মানসিক বাধাগ্ৰস্ততা, মৃগী আদি সমস্যাও থাকিব পাৰে।
- শিশুজনৰ লিখা-পঢ়াৰ ক্ষেত্ৰত সমন্বয়ৰ অভাৱৰ কাৰণে সহায়ৰ প্ৰয়োজন হয়।
- এনেকুৱা শিশুৰ ক্ষেত্ৰত মাংসপেশীসমূহ অতি কঠিন নাইবা অতি কোমল হোৱা দেখা যায়।
- ডিঙি নিয়ন্ত্ৰণ কৰাত অসুবিধা হয়।

**অটিজিম ঃ**

- এনে শিশুয়ে আনৰ চকুলৈ চাই কথা নাপাতে।
- আনে কোৱা শব্দ বা বাক্য পুনৰাবৃত্তি কৰে।
- আন সমনীয়াৰ লগত খেলা-ধূলা কৰাত অসুবিধা হয়।
- যিকোনো নীতি-নিয়ম অনুসৰণ কৰিব নোৱাৰে।
- নাম ধৰি মাতিলেও সহজে সঁহাৰি নজনায়।
- কিছুমান ক্ষেত্ৰত অতি উচ্চ স্মৰণ শক্তি দেখা যায়। যেনে — সংখ্যা, তাৰিখ, ফোন নম্বৰ ইত্যাদি।
- নিজৰ অনুভৱ প্ৰকাশ কৰাত অসুবিধা হয়। যেনে — খং, দুখ ইত্যাদি।
- উজ্জ্বল বস্তু, শব্দ আদিৰ প্ৰতি আকৰ্ষিত হয়।
- সময়সুচীৰ পৰিৱৰ্তন প্ৰতিক্ৰিয়া প্ৰকাশ কৰে।
- শ্ৰেণীকোঠাত বাৰে বাৰে শিক্ষকক পাঠৰ লগত সংগতি নথকা প্ৰশ্ন সুধি ব্যতিব্যস্ত কৰে।

**শিকন অসমৰ্থতা ঃ**

- শ্ৰেণীকোঠাত মনোযোগ দিয়াৰ সমস্যা দেখা যায়।
- আন সমনীয়াৰ তুলনাত বেছি সময়লৈ একেটা কথাকে কৰি থাকিব নোৱাৰে।
- নিজৰ কামৰ সময়ত বিদ্যালয় বা গৃহত সংঘটিত হোৱা অপ্ৰয়োজনীয় কাৰ্যৰ দ্বাৰা আকৰ্ষিত হয়।
- শিশুটিয়ে আখৰ বা চিহ্নবোৰ ওলোটাকৈ লিখে যেনে — b – d, was - saw, + .... x আদি।
- শিশুটিয়ে পঢ়োতে শব্দৰ পুনঃৰাবৃত্তি কৰে বা আন শব্দৰ সংযোজন কৰে নতুবা শব্দ বাদ দিয়ে।
- সংখ্যা লিখোতে বা পঢ়োতে ওলোটাকৈ পঢ়ে বা লিখে যেনে — ১৩-৩১, ১২-২১, ৪১-১৪আদি।
- শিশুৰে গণনা কাৰ্যত অপৰাগতা দেখুৱা!।
- কিতাপ বা বৰ্ডৰ চাই লিখোতে ভুল কৰে।
- আখৰবোৰ ওচৰা-ওচৰি নতুবা দূৰে দূৰে লিখে।
- কোনো এটা পাঠ বুজি পোৱা বুলি কলেও পাঠ পৰা প্ৰশ্ন কৰি কিন্তু উত্তৰ দিয়াত অসুবিধা হয়।

**একাধিক বাধাগ্ৰস্ত ঃ**

- দুই বা ততোধিক অক্ষমতা/বাধাগ্ৰস্ত বিদ্যমান হ'ব পাৰে।
- সংযুক্ত অক্ষমতাৰ/বাধাগ্ৰস্ততাৰ অন্যধৰণৰ বাধাগ্ৰস্ততাই লগ দিব পাৰে।
- কাম-কাজত অসামঞ্জস্যতাই দেখা দিব পাৰে।
- অধিক গঠনমূলক শিক্ষাগত পৰিকল্পনাৰ প্ৰয়োজন।
- জীৱনত বিভিন্ন ক্ষেত্ৰত সমৰ্থন বা সহায়ৰ প্ৰয়োজন।
- স্বাভাৱিক বা সাধাৰণ কঠিনতা দেখা দিয়ে।
- কোনো এটা কথা বা কামক শিকিবলৈ অধিক অভ্যাস বা পুনৰাবৃত্তিৰ প্ৰয়োজন।
- দৈনন্দিন কাম-কাজ শিকিবলৈ ব্যাপক সমৰ্থনৰ প্ৰয়োজন হয়।